**28-01-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – আটাইতকৈ মৰমৰ শিৱবাবা তোমালোক সন্তানসকলক বিশ্বৰ মালিক কৰি তুলিবলৈ আহিছে, তোমালোক তেওঁৰ শ্ৰীমতত চলা"**

প্ৰশ্ন: মনুষ্যই পৰমাত্মাৰ বিষয়ে কোন দুটা পৰস্পৰ ভিন্ন কথা কয়?

উত্তৰ: এফালে কয় - পৰমাত্মা অখণ্ড জ্যোতি আৰু আনফালে কয় তেওঁতো নাম-ৰূপৰ পৰা উৰ্দ্ধত। এই দুয়োটা কথা ইটো-সিটোৰ পৰা ভিন্ন হৈ যায়। যথাৰ্থ ৰূপত নজনা কাৰণেই পতিত হৈ গৈ থাকে। পিতা যেতিয়া আহে তেতিয়া নিজৰ প্ৰকৃত পৰিচয় দিয়ে।

গীত: মৰণা তেৰী গলী মে.......(তোমাৰ গলিতে যেন মৰোঁ.......)

ওঁম্ শান্তি। সন্তানসকলে গীতটি শুনিলে। যেতিয়া কোনোবা মৰে তেতিয়া পিতাৰ ওচৰত জন্ম ল'ব। কওঁতে এনেকৈয়ে কোৱা হয় যে পিতাৰ ওচৰত জন্ম ল'লে, মাকৰ নাম নলয়। শুভেচ্ছা পিতাক দিয়া হয়। এতিয়া তোমালোক সন্তানসকলে জানা আমি হৈছোঁ আত্মা, সেয়া হৈ গ'ল শৰীৰৰ কথা। এটা শৰীৰ এৰি পুনৰ অন্য এজন পিতাৰ ওচৰত যায়। তোমালোকে 84 জন্মত 84জন সাকাৰী পিতা পাইছা। বাস্তৱত আচলতে নিৰাকাৰ পিতাৰ সন্তান হোৱা। তোমালোক আত্মা পৰমপিতা পৰমাত্মাৰ সন্তান। নিবাসীও তাৰেই যাক নিৰ্বাণধাম বা শান্তিধাম বুলি কয়। আচলতে তোমালোক তাৰ নিবাসী। পিতাও তাত থাকে। ইয়ালৈ আহি তোমালোক লৌকিক পিতাৰ সন্তান হোৱা তেতিয়া আকৌ সেইজন পিতাক পাহৰি যোৱা। সত্যযুগতো তোমালোক সুখী হৈ যোৱা তেতিয়া সেই পাৰলৌকিক পিতাক পাহৰি যোৱা। সুখত সেইজন পিতাক কোনেও স্মৰণ নকৰে। দুখত স্মৰণ কৰে। আৰু স্মৰণো আত্মাই কৰে। যেতিয়া লৌকিক পিতাক স্মৰণ কৰে তেতিয়া বুদ্ধি শৰীৰৰ ফালে থাকে। এইজন বাবাই তেওঁক স্মৰণ কৰিলে তেতিয়া ক'ব অ' বাবা। হওতে দুয়োজন বাবা। শুদ্ধ শব্দ 'বাবা'ই হয়। এৰোঁ পিতা, তেৰোঁ পিতা। আত্মাই সেইজন আত্মিক পিতাক স্মৰণ কৰে তেতিয়া বুদ্ধি তালৈ গুচি যায়। এইজন পিতাই বহি সন্তানসকলক বুজায়। এতিয়া তোমালোকে এইটো জানা বাবা আহিছে, আমাক নিজৰ কৰি লৈছে। পিতাই কয় - পোন-প্ৰথমে মই তোমালোকক স্বৰ্গলৈ পঠিয়ালোঁ। তোমালোক বহুত চহকী আছিলা পুনৰ 84 জন্ম লৈ ড্ৰামাৰ পৰিকল্পনা অনুসৰি এতিয়া তোমালোক দুখী হৈ গৈছা। এতিয়া ড্ৰামা অনুসৰি পুৰণি সৃষ্টিৰ বিনাশ হ'ব। তোমালোক আত্মা আৰু শৰীৰ ৰূপী বস্ত্ৰ সতোপ্ৰধান আছিল পুনৰ সোণালী যুগৰ পৰা ৰূপালী যুগত আত্মা আহিল গতিকে শৰীৰো ৰূপালী যুগত আহিল পুনৰ তাম্ৰ যুগলৈ আহিল। এতিয়াতো তোমালোক আত্মা একেবাৰেই পতিত হৈ গ'লা গতিকে শৰীৰো পতিত। যেনেকৈ 14 কেৰেটৰ সোণ কোনেও পচন্দ নকৰে। ক'লা পৰি যায়। তোমালোকো এতিয়া ক'লা লৌহযুগী হৈ গ'লা। এতিয়া আত্মা আৰু শৰীৰ যি এনেকুৱা ক'লা হৈ গ'ল তেন্তে পুনৰ পৱিত্ৰ কেনেকৈ হ'ব। আত্মা পৱিত্ৰ হ'লে তেতিয়া শৰীৰো পৱিত্ৰ পাব। সেয়া কেনেকৈ হ'ব? গংগা স্নান কৰিলে হ'ব জানো? নহয়। আহ্বান জনায় - হে পতিত-পাৱন...... এনেকৈ আত্মাই কয়। বুদ্ধি পাৰলৌকিক পিতাৰ ফালে গুচি যায় - হে বাবা। চোৱা 'বাবা' শব্দটিয়েই কিমান মিঠা। ভাৰততহে 'বাবা' 'বাবা' বুলি কয়। এতিয়া তোমালোক আত্ম-অভিমানী হৈ বাবাৰ হৈছা। পিতাই কয় - মই তোমালোকক স্বৰ্গলৈ পঠিয়াইছিলোঁ। নতুন শৰীৰ ধাৰণ কৰিছিলা। এতিয়া তোমালোক কি হৈ গ'লা। এই কথাবোৰ সদায় ভিতৰত থাকিব লাগে। বাবাকেই স্মৰণ কৰিব লাগে। স্মৰণো কৰে নহয় - হে বাবা আমি আত্মাসকল পতিত হৈ গ'লোঁ। এতিয়া আপুনি আহি পাৱন কৰি তোলক। ড্ৰামাতো এইটো ভূমিকা আছে সেইবাবেতো আহ্বান জনায়। ড্ৰামাৰ পৰিকল্পনা অনুসৰি আহিবও তেতিয়া যেতিয়া পুৰণি সৃষ্টিৰ পৰা নতুন হয় তেন্তে নিশ্চয় সংগমতেই আহিব।

তোমালোক সন্তানসকলৰ নিশ্চয়তা আছে যে আটাইতকৈ মৰমৰ হৈছে বাবা। এনেকৈ কয়ো - মৰমৰ, অতি মৰমৰ, আটাইতকৈ মৰমৰ। এতিয়া মৰমৰ কোন? লৌকিক সম্বন্ধত প্ৰথম হৈছে পিতা, যিয়ে জন্ম দিয়ে। তাৰ পাছত শিক্ষক। তেওঁ ভাল হয়। তেওঁৰ পৰা পঢ়ি পদবী লাভ কৰা। জ্ঞানক উপাৰ্জনৰ উৎস বুলি কোৱা হয়। জ্ঞান হৈছে ন'লেজ। যোগ হৈছে স্মৃতি। তেন্তে বেহদৰ পিতা যিয়ে তোমালোকক স্বৰ্গৰ মালিক কৰি তুলিছিল, তেওঁক তোমালোকে এতিয়া পাহৰি গ'লা। শিৱবাবা কেনেকৈ আহিল কোনেও গম নাপায়। চিত্ৰতো স্পষ্টকৈ দেখুওৱা হৈছে। ব্ৰহ্মাৰ দ্বাৰা স্থাপনা শিৱবাবাই কৰায়। শ্ৰীকৃষ্ণই কেনেকৈ ৰাজযোগ শিকাব? ৰাজযোগ শিকোৱাই হয় সত্যযুগৰ কাৰণে। তেন্তে নিশ্চয় সংগমত পিতাইহে শিকাইছিল। সত্যযুগ স্থাপনা কৰোঁতাজন হৈছে বাবা। শিৱবাবাই এওঁৰ দ্বাৰা কৰায়, কৰণকৰাৱনহাৰ হয় নহয়। তেওঁলোকে ত্ৰিমূৰ্তি ব্ৰহ্মা বুলি কৈ দিয়ে। উচ্চতকৈও উচ্চ শিৱ হয় নহয়। এওঁ সাকাৰ, তেওঁ নিৰাকাৰ। সৃষ্টিও ইয়াতেই

আছে। এই সৃষ্টিৰেই চক্ৰ যি ঘূৰি থাকে, পুনৰাবৃত্তি হৈ থাকে। সূক্ষ্মধামৰ সৃষ্টিৰ চক্ৰ বুলি গায়ন কৰা নহয়। বিশ্বৰ ইতিহাস-ভূগোল মনুষ্যৰ পুনৰাবৃত্তি হয়। গায়নো কৰে বিশ্বৰ ইতিহাস-ভূগোলৰ পুনৰাবৃত্তি। সেয়া ইয়াৰ কথা। সত্যযুগ-ত্ৰেতা..... মাজত নিশ্চয় সংগম লাগে। নহ'লে কলিযুগক সত্যযুগ কোনে কৰি তুলিব। নৰকবাসীক স্বৰ্গবাসী কৰি তুলিবলৈ পিতা সংগমত আহে। এয়াতো সৰ্বোচ্চ হৰ্তাকৰ্তা ঈশ্বৰ পিতাৰ চৰকাৰ। লগত ধৰ্মৰজাও আছে। আত্মাই কয় - মোৰ নিৰ্গুণীৰ কোনো গুণ নাই। যিকোনো দেৱতাৰ মন্দিৰলৈ গ'লে তেতিয়া তেওঁলোকৰ আগত এনেকৈ ক'ব। ক'ব লাগে পিতাক। তেওঁক এৰি ভাইসকলক (দেৱতাসকলক) ধৰিছে। এই দেৱতাসকল ভাই ভাই নহ'ল জানো। ভাইৰ পৰাতো একোৱে পোৱা নাযায়। ভাইসকলৰ পূজা কৰি কৰি তললৈ নামি আহিছে। এতিয়া তোমালোক সন্তানসকলে জানা বাবা আহিছে, তেওঁৰ পৰা আমি উত্তৰাধিকাৰ পাওঁ। পিতাকেই নাজানে, সৰ্বব্যাপী বুলি কৈ দিয়ে। কোনোৱে আকৌ কয় - অখণ্ড জ্যোতি তত্ব। কোনোৱে কয় তেওঁ নাম-ৰূপৰ পৰা উৰ্দ্ধত। যিহেতু অখণ্ড জ্যোতি স্বৰূপ হয় তেন্তে আকৌ নাম-ৰূপৰ পৰা উৰ্দ্ধত বুলি কেনেকৈ কয়। পিতাক নজনা কাৰণেই পতিত হৈ গৈছে। তমোপ্ৰধানো হ'বই লাগে। পুনৰ যেতিয়া পিতা আহে তেতিয়া আহি সকলোকে সতোপ্ৰধান কৰি তোলে। আত্মাসকল নিৰাকাৰীলোকত সকলো পিতাৰ লগত থাকে পুনৰ ইয়াত সতো-ৰজো-তমোত আহি ভূমিকা পালন কৰে। আত্মাইহে পিতাক স্মৰণ কৰে। পিতা আহেও, কয়ো ব্ৰহ্মাৰ শৰীৰৰ আধাৰ লওঁ। এওঁ হৈছে ভাগ্যশালী ৰথ। আত্মা অবিহনে জানো ৰথ হয়। এতিয়া তোমালোক সন্তানসকলক বুজাইছে, এয়া হৈছে জ্ঞানৰ বৰ্ষা। জ্ঞান, ইয়াৰ দ্বাৰা কি হয়? পতিত সৃষ্টিৰ পৰা পাৱন সৃষ্টি হয়। গংগা-যমুনাতো সত্যযুগতো থাকে। কয় শ্ৰীকৃষ্ণই যমুনাৰ পাৰত খেল-ধেমালি কৰে। এনেকুৱা কোনো কথা নাই। তেওঁতো সত্যযুগৰ ৰাজকুমাৰ হয়। বহুত ভালদৰে তেওঁৰ তত্বাৱধান লোৱা হয় কিয়নো ফুল হয় নহয়। ফুল কিমান ভাল সুন্দৰ হয়। সকলোৱে আহি ফুলৰ পৰা সুবাস লয়। কাঁইটৰ জানো সুবাস ল'ব। এতিয়াতো এইখন হৈছে কাঁইটৰ সৃষ্টি। কাঁইটৰ জংঘলক পিতা আহি ফুলৰ বাগিচা কৰি তোলে সেইবাবে তেওঁৰ নাম বাবুলনাথো ৰাখি দিছে। কাঁইটক বহি ফুল কৰি তোলে সেইবাবে মহিমা গায় - কাঁইটক ফুল কৰি তোলোঁতা বাবা। এতিয়া তোমালোক সন্তানসকলৰ পিতাৰ প্ৰতি কিমান মৰম থাকিব লাগে। সেই লৌকিক পিতাইতো তোমালোকক গাঁতত পেলায়। এইজন পিতাই 21 জন্মৰ কাৰণে তোমালোকক গাঁতৰ পৰা উলিয়াই পাৱন কৰি তোলে। তেওঁ তোমালোকক পতিত কৰে সেইবাবেতো লৌকিক পিতা থকা সত্বেও আত্মাই পাৰলৌকিক পিতাক স্মৰণ কৰে।

এতিয়া তোমালোকে জানা আধাকল্প পিতাক স্মৰণ কৰিছা। পিতা আহেও নিশ্চয়। শিৱজয়ন্তী পালন কৰে নহয়। তোমালোকে জানা আমি বেহদৰ পিতাৰ হৈছোঁ। এতিয়া আমাৰ সম্বন্ধ তেওঁৰ লগতো আছে আৰু লৌকিকৰ লগতো আছে। পাৰলৌকিক পিতাক স্মৰণ কৰিলে তোমালোক পাৱন হ'বা। আত্মাই জানে তেওঁ আমাৰ লৌকিক আৰু এওঁ পাৰলৌকিক পিতা। ভক্তিমাৰ্গতো এইটো আত্মাই জানে। সেইবাবেতো কয় - হে ভগৱান, অ' গড় ফাদাৰ। অবিনাশী পিতাক স্মৰণ কৰে। সেইজন পিতা আহি স্বৰ্গ স্থাপন কৰে। এইটো কোনেও গম নাপায়। শাস্ত্ৰবোৰততো যুগকেইটাকো বহুত দীঘলীয়া আয়ুস দি দিছে। এইটো কাৰো বুদ্ধিত উদয় নহয় যে পিতা আহেই পতিতসকলক পাৱন কৰি তুলিবলৈ। তেন্তে নিশ্চয় সংগমত আহিব। কল্পৰ আয়ুস লাখ লাখ বছৰ বুলি লিখি মনুষ্যক একেবাৰে ঘোৰ অন্ধকাৰত পেলাই দিছে। পিতাক পাবৰ কাৰণে হাবাথুৰি খাই থাকে। কয় যিয়ে বহুত ভক্তি কৰে তেতিয়া ভগৱানক পায়। সকলোতকৈ বেছি ভক্তি কৰোঁতাসকলে নিশ্চয় প্ৰথমে পাব লাগে। পিতাই হিচাপো শুনাইছে, সকলোতকৈ প্ৰথমে ভক্তি তোমালোকে কৰা। গতিকে তোমালোকেহে পোন-প্ৰথমে ভগৱানৰ দ্বাৰা জ্ঞান পাব লাগে যাতে পুনৰ তোমালোকেই নতুন সৃষ্টিত ৰাজত্ব কৰিব পাৰা। বেহদৰ পিতাই তোমালোক সন্তানসকলক জ্ঞান দি আছে, ইয়াত কষ্টৰ কোনো কথা নাই। পিতাই কয় - তোমালোকে আধাকল্প স্মৰণ কৰিছা। সুখততো কোনেও স্মৰণ নকৰেই। অন্তিমত যেতিয়া দুখী হৈ যোৱা তেতিয়া মই আহি সুখী কৰি তোলোঁ। এতিয়া তোমালোক বহুত গণ্যমান্য ব্যক্তি হৈ যোৱা। চোৱা মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰী আদিৰ বঙলা কিমান উত্তম শ্ৰেণীৰ হয়। তাত আকৌ গাই আদি গোটেই আচবাব এনেকুৱা উত্তম শ্ৰেণীৰ হ'ব। তোমালোকতো কিমান গণ্যমান্য ব্যক্তি (দেৱতা) হোৱা। দৈৱী গুণধাৰীসকল দেৱতা স্বৰ্গৰ মালিক হয়। তাত তোমালোকৰ কাৰণে মহলো হীৰা-মুকুতাৰ হয়। তাত তোমালোকৰ আচবাব স্বৰ্ণ খোদিত উত্তম শ্ৰেণীৰ হ'ব। ইয়াততো দোলনা আদি সকলোবোৰ সাধাৰণ। তাততো প্ৰথম শ্ৰেণীৰ হীৰা-অলংকাৰৰ সকলোবোৰ বস্তু হ'ব। এয়া হৈছে ৰুদ্ৰ জ্ঞান যজ্ঞ। শিৱক ৰুদ্ৰ বুলিও কয়। যেতিয়া ভক্তি পূৰ্ণ হয় তেতিয়া পুনৰ ভগৱানে ৰুদ্ৰ যজ্ঞ ৰচনা কৰে। সত্যযুগত যজ্ঞ অথবা ভক্তিৰ কথাই নাই। এই সময়তহে পিতাই এই অবিনাশী ৰুদ্ৰ জ্ঞান যজ্ঞ ৰচনা কৰে, যাৰ আকৌ পাছত গায়ন কৰা হয়। ভক্তিতো সদায় প্ৰচলিত হৈ নাথাকিব। ভক্তি আৰু জ্ঞান, ভক্তি হৈছে ৰাতি জ্ঞান হৈছে দিন। পিতা আহি দিন কৰি তোলে তেন্তে সন্তানসকলৰ পিতাৰ সৈতে কিমান মৰম থাকিব লাগে। বাবাই আমাক বিশ্বৰ মালিক কৰি তোলে। আটাইতকৈ মৰমৰ বাবা। তেওঁতকৈ বেছি মৰমৰ বস্তু একো থাকিব নোৱাৰে। আধাকল্পৰ পৰা স্মৰণ কৰি আহিছা। বাবা আহি আমাৰ দুখ দূৰ কৰক। এতিয়া পিতা আহিছে। তোমালোকক বুজায়

নিজৰ গৃহস্থ ব্যৱহাৰততো থাকিবই লাগে। ইয়াত বাবাৰ ওচৰত কিমানলৈকে বহিবা। পিতাৰ লগততো পৰমধামতহে থাকিব পাৰে। ইয়াত ইমানবিলাক সন্তানতো থাকিব নোৱাৰে। শিক্ষকে প্ৰশ্ন কেনেকৈ সুধিব। ‘লাউড স্পীকাৰ’ত উত্তৰ কেনেকৈ দিব পাৰিব সেয়েহে অলপ অলপ বিদ্যাৰ্থীক পঢ়ায়। কলেজতো বহুত থাকে আকৌ সকলোৰে পৰীক্ষা হয়। তালিকা ওলায়। ইয়াততো এজন পিতায়ে পঢ়ায়। এইটোও বুজাব লাগে দুখত সকলোৱে সেই পাৰলৌকিক পিতাক স্মৰণ কৰে। এতিয়া এই পিতা আহিছে। ভয়ংকৰ মহাভাৰতৰ যুদ্ধও সমাগত। তেওঁলোকে ভাবে মহাভাৰতৰ যুদ্ধত শ্ৰীকৃষ্ণ আহিছিল। এইটোতো হ'ব নোৱাৰে। বেচেৰাসকল বিবুদ্ধিত পৰি আছে নহয়। তথাপিও ‘কৃষ্ণ কৃষ্ণ’ বুলি স্মৰণ কৰি থাকে। এতিয়া আটাইতকৈ মৰমৰ শিৱও হয় আৰু শ্ৰীকৃষ্ণও হয়। কিন্তু তেওঁ হৈছে নিৰাকাৰ, তেওঁ হৈছে সাকাৰ। নিৰাকাৰ পিতা সকলো আত্মাৰে পিতা হয়। হওতে দুয়ো আটাইতকৈ মৰমৰ। শ্ৰীকৃষ্ণও বিশ্বৰ মালিক হয় নহয়। এতিয়া তোমালোকে নিৰ্ণয় কৰিব পাৰা – বেছি মৰমৰ কোন? শিৱবাবায়েতো এনেকুৱা যোগ্য কৰি তোলে নহয়। শ্ৰীকৃষ্ণই কি কৰে? পিতায়েতো তেওঁক এনেকৈ গঢ়ি তোলে, গতিকে গায়নো বেছিকৈ সেইজন পিতাৰ হ'ব লাগে। শংকৰৰ নৃত্য দেখুৱায়। বাস্তৱত নৃত্য আদিৰতো কথা নাই। পিতাই বুজাইছে - তোমালোক সকলো পাৰ্বতী। এওঁ শিৱ অমৰনাথে তোমালোকক কথা শুনাই আছে। সেইখন হৈছে নিৰ্বিকাৰী সৃষ্টি। বিকাৰৰ কথা নাই। পিতাই জানো বিকাৰী সৃষ্টি ৰচিব। বিকাৰতেই দুখ আছে। মনুষ্যই হঠযোগ আদি বহুত শিকে। গুহাত গৈ বহে, জুইৰ মাজেদিও গুচি যায়। তন্ত্ৰ-মন্ত্ৰও বহুত আছে। যাদুৰে বহুত বস্তু উলিয়ায়। ভগৱানকো যাদুকৰ, ৰত্নাকৰ, সদাগৰ বুলি কয় তেন্তে নিশ্চয় চৈতন্য হয় নহয়। কয়ো মই আহোঁ, যাদুকৰ হয় নহয়। মনুষ্যক দেৱতা, ভিকহুৰ পৰা ৰাজকুমাৰ কৰি তোলে। এনেকুৱা যাদু কেতিয়াবা দেখিছানে। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) ফুলৰ বাগিচালৈ যাব লাগে সেয়েহে সুবাসিত ফুল হ'ব লাগে। কাকোৱে দুখ দিব নালাগে। একমাত্ৰ পাৰলৌকিক পিতাৰ সৈতে সকলো সম্বন্ধ গঢ়িব লাগে।

(2) শিৱবাবা অতিকৈ মৰমৰ সেই এজনকেই প্ৰেম কৰিব লাগে। সুখদাতা পিতাক স্মৰণ কৰিব লাগে।

বৰদান: কাৰো দোষ-ত্ৰুটি নাচাই নিজৰ গুণ আৰু শক্তিসমূহৰ সহযোগিতা দিওতা মাষ্টৰ দাতা হোৱা
মাষ্টৰ দাতা তেৱেঁই যি সদায় এইটো আত্মিক ভাৱনাত থাকে যে সকলো আত্মা মোৰ দৰে উত্তৰাধিকাৰৰ অধিকাৰী হৈ যাওক। কাৰো দোষ-ত্ৰুটি নাচাই, তেওঁ নিজৰ ধাৰণ কৰা গুণসমূহৰ, শক্তিসমূহৰ সহযোগ দিয়ে। এওঁ এনেকুৱাই – এইটো ভাৱনাৰ পৰিৱৰ্তে মই তেওঁকো পিতাৰ সমান কৰি তোলোঁ, এইটো শুভ-ভাৱনা যাতে থাকে। ইয়াৰ লগতে এইটোৱে শ্ৰেষ্ঠ কামনা হওক যে এই সকলো আত্মা কঙাল, দুখী, অশান্তৰ পৰা সদায় শান্ত, সুখ-ৰূপ সমৃদ্ধিশালী হৈ যাওক - তেতিয়া মাষ্টাৰ দাতা বুলি কোৱা হ’ব।

শ্লোগান: মন-বাণী-কৰ্মৰে সেৱা কৰাসকলেই হৈছে নিৰন্তৰ সেৱাধাৰী, তেওঁলোকৰ প্ৰতিটো শ্বাসত সেৱা সমাহিত হৈ থাকে।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: এই অব্যক্ত মাহত বন্ধনমুক্ত হৈ থাকি জীৱনমুক্ত স্থিতিৰ অনুভৱ কৰা

প্ৰথমে নিজৰ দেহৰ পৰা, দেহৰ সম্বন্ধৰ পৰা আৰু পুৰণি জগতৰ স্মৃতিৰ পৰা মুক্ত হোৱা। যেতিয়া এই মুক্তিৰ অৱস্থা অনুভৱ কৰিবা তেতিয়া মুক্ত হোৱাৰ পাছত জীৱনমুক্তিৰ অনুভৱ স্বতঃ হ’ব। সেয়েহে পৰীক্ষা কৰা যে জীৱনত থাকিও দেহ, দেহৰ সম্বন্ধ আৰু পুৰণি জগতৰ আকৰ্ষণৰ পৰা কিমানলৈকে মুক্ত হৈছোঁ?